
ৰাজনীতি দৰ্পণ
ৰাজনীতি বিজ্ঞান বিভাগ ঃ বিকালী মহাবিদ্যালয়, ধূপধৰা
T – 1
PARLIAMENT
Govt. of India


ART BY

# মহাযুদ্ধ

শান্ত হোৱা ইউক্ৰেইন ৰাছিয়া
আৰু নুশুঙাবা বাৰুদৰ ধোঁৱা,
অশ্ৰুজুলীয়ে বোৱালে মহানদী
ক্ষোভত ম্ৰিয়মান উৎপীড়িত আজি।
দেশৰ সন্তানৰ খণ্ডীণ সাপোনবোৰ
পাৰিবা জানো দিব পুনৰাই গঢ়ি,
অহংকাৰ অত্যাচাৰে পুৰি কৰিলে ছাই
মাথোঁ এবাৰলৈ কিয়নো নাভাবিলা
তুমি দেখোঁ এক মাতৃৰ ভাই-ভাই।
ককাই ভাইৰ সুমধুৰ সম্পৰ্ক
তেতিয়ালৈ আছিল সকলোৰে পৰিচিত,
আজিনো কিয় সুযোগ দিলা তুমি
যে বিশ্বৰ মুখে-মুখে তোমাৰ গুণৰ চৰ্চিত।
শান্ত হোৱা ইউক্ৰেইন ৰাছিয়া
আৰু নুশুঙাবা বাৰুদৰ ধোঁৱা।

— শ্ৰী পমি ৰাভা
স্নাতক ষষ্ঠ ষাণ্মাসিক


Art
by
Sajmabi
Rabha

# দ্বিতীয় মহাযুদ্ধৰ ফলাফল

দ্বিতীয় মহাযুদ্ধই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত অলেখমান পৰিৱৰ্তন সৃষ্টি কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ ফলাফলসমূহ তলত আলোচনা কৰা হ'ল-

প্ৰথম মহাযুদ্ধতকৈ দ্বিতীয় মহাযুদ্ধত বহুত বেছি ধ্বংসাত্মক কাৰ্য সংঘটিত হৈছিল। হাজাৰ-হাজাৰ মানুহ যুদ্ধত আহত আৰু নিহত হৈছিল। লগতে কিছুমান অঞ্চলৰ বায়ুমণ্ডল দূষিত হৈছিল। হিৰোছিমা আৰু নাগাছাকিত বোমা বৰ্ষণ কৰাৰ ফলত সেই অঞ্চলৰ বায়ুমণ্ডল দূষিত হৈছিল। তাৰোপৰি অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগৰ ফলত পৰিৱেশ দূষিত হৈছিল। দ্বিতীয় মহাসমৰৰ ফলত বিভিন্ন দেশত বৈজ্ঞানিকসকলৰ মাজত মাৰণাস্ত্ৰ উৎপাদন কৰাৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল। ক্ৰমাৎ আণৱিক অস্ত্ৰ উৎপাদনৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল। তাৰোপৰি ইংলেণ্ড, ফ্ৰান্স আদি ইউৰোপীয় কিছুমান দেশৰ দ্বিতীয় শ্ৰেণীৰ শক্তিত পৰিণত হৈছিল। লগতে দেশসমূহৰ সামৰিক আৰু অৰ্থনৈতিক দিশত দুৰ্বল হৈ পৰিছিল। এই দ্বিতীয় মহাযুদ্ধৰ ফলত ৰুছিয়া আৰু আমেৰিকা পৃথিৱীৰ দুটা শক্তিশালী জাতিত পৰিণত হৈছিল। যুদ্ধৰ পিছত আমেৰিকাই নিঃসংগ নীতি পৰিত্যাগ কৰিছিল আৰু পৃথিৱীৰ বিভিন্ন অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰাৰ চেষ্টা অব্যাহত ৰাখিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত দ্বিতীয় মহাযুদ্ধৰ ফলত ৰুছিয়াও এটা শক্তিশালী জাতিত পৰিণত হৈছিল।

— শ্ৰী গীতাঞ্জলি বসুমতাৰী
স্নাতক চতুৰ্থ ষাণ্মাসিক

# শান্তি

মানুহে গঢ়া পৃথিৱীখনৰ
মৃত্যুৱে যে তাৰ সীমা,
মনৰ মাজত ছবিটি ভাহি আছে
অশান্তিময় নতুন পৃথিৱীৰ,
শুৱ পৰা নাই ভাহি আছে প্ৰতিচ্ছবি
বিশৃংখল ধ্বংসৰ আহ্বান ।

কোনোৱে খুঁজিছে স্বাধীনতাৰ বাবে
কোনোৱে খুঁজিছে আধিপত্যৰ বাবে,
মানুহৰ মৃত্যুঞ্জয়ী আহ্বানে মাতিছে
মৰিশালীত পৰিণত কৰিছে পৃথিৱী,
বিদ্বেষ বাৰু এজনৰ তেজে আনজনৰ
হিয়াৰ শান্তি উজলায় ।

ক্লান্তি আৰু মৰণৰ নিৰ্মম চক্ৰাৰ এয়া
নিৰুপায় হৈ চাই আছে বৈ,
মানুহে সাজিব খোজে মৰতত স্বৰ্গ
যুৰঞ্জীৰ আৱৰ্তৰ পৰা,
আধিপত্য আৰু স্বাৰ্থপৰসকলে
প্ৰায়ে শান্তিৰ কথা কয় ।

মৃত্যুৰ সীমাত যদি শান্তি লুকাই যায়
তেন্তে শান্তি অদৃশ্য হৈ যায়,
নিজে মাতি অনা উজ্জ্বল ধ্বংস মৃত্যুৱে
বন্ধ হৈ যায় সকলো দুৱাৰ,
ভাবিছোঁ নীৰৱে অনাগত দিনবোৰত
শান্তিয়ে আহি আছে নেকি দিগন্তত !!!

— শ্ৰী চন্দাশ্ৰী ব্ৰহ্ম
স্নাতক চতুৰ্থ ষাণ্মাসিক

# শীতল যুদ্ধৰ প্ৰভাৱ

শীতল যুদ্ধই শান্তিৰ সময়তো সামৰিক চুক্তিত স্বাক্ষৰ কৰাৰ পথ মুকলি কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ পিছত যিবোৰ সমস্যাৰ সৃষ্টি হৈছিল সেইবোৰ সমস্যা সমাধান কৰাৰ পৰিবৰ্তে শক্তিশালী দেশসমূহে আনক প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰ কৰাৰ উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰি সময় আৰু সুযোগৰ অপব্যৱহাৰ কৰিছিল। ইয়াৰ ফলত ওৱাৰ্ছ চুক্তিৰ নিচিনা ভালেমান সামৰিক চুক্তিত স্বাক্ষৰ কৰা হৈছিল। পৃথিৱীৰ ভালেমান দেশে এই চুক্তিত স্বাক্ষৰ কৰিছিল।

আদৰ্শবাদী ৰাজনৈতিক চিন্তাবিদ কিছুমানে বিশ্বৰাষ্ট্ৰৰ সৃষ্টিৰ যি কল্পনা কৰিছিল শীতল যুদ্ধই সেই কল্পনাক অ-কাৰ্যকৰী কৰি তুলিছিল। পৃথিৱীত শান্তি আৰু শৃংখলাৰ কাৰণে ৰাষ্ট্ৰসংঘ নামৰ আন্তঃৰাষ্ট্ৰীয় সংগঠন এটা প্ৰতিষ্ঠা কৰি তুলিছিল।

শীতলযুদ্ধৰ ফলতেই দুয়োটা শক্তিগোষ্ঠীৰ মাজত সামৰিক শক্তিবৃদ্ধিৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল। প্ৰত্যেক গোষ্ঠীয়ে আধুনিক অস্ত্ৰ-পাতি উৎপাদনত ভালেমান ধন খৰচ কৰিবলগা হৈছিল। শীতল যুদ্ধই জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নতো বাধাৰ সৃষ্টি কৰিছিল। অস্ত্ৰ-পাতি উৎপাদনত ভালেমান ধন খৰচ কৰিবলগা হোৱাৰ কাৰণে উন্নয়নমূলক কামত খৰচ কৰিবলগা ধনৰ পৰিমাণ কমি গৈছিল।

গতিকে শীতল যুদ্ধই সমগ্ৰ মানৱ জাতিৰ ভালেখিনি অপকাৰ কৰিছিল। এই যুদ্ধত মানৱ জাতিৰ বৃহত্তম স্বাৰ্থৰ খাতিৰত [illegible] প্ৰতিযোগিতাৰ পৰা শক্তিশালী দেশসমূহ আঁতৰত থকা উচিত।

— শ্ৰী হিমাদ্ৰী নাথ
স্নাতক চতুৰ্থ ষাণ্মাসিক

# সম্পাদকীয়

জয় জয়তে বিকালী মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় প্ৰধান অধ্যক্ষ মহোদয়, অধ্যাপক - অধ্যাপিকাসকলৰ লগতে বিকালী মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এইন বছৰৰ দৰে এইবাৰো ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা ৰাজনীতি দৰ্পণখন উন্মোচন কৰিবলৈ ওলাইছোঁ। 'ৰাজনীতি দৰ্পণখন' প্ৰকাশ কৰোঁতে অজানিতে যদি ভুল-ভ্ৰান্তি হৈ যায় তাৰ বাবে সকলোৰে ক্ষমা প্ৰাৰ্থনা মাগিলোঁ।

প্ৰকৃততে পৃথিৱীৰ সকাতোকৈ শক্তিশালী যোদ্ধা দুজন হ'ল ধৈৰ্য্য আৰু সময়। সময় যিহেতু পৰিৱৰ্তনশীল সেয়ে ক্ৰমান্বয়ে স্বাধীনতাৰ লগতে মানৱীয় গুণসমূহৰো ম্লান ঘটিছে। পৃথিৱীৰ ঐশ্বৰ্যতাও বৰ্তমান অৱসান হোৱাৰ দিশলৈ ধাবিত হৈছে। এইক্ষেত্ৰত আমাৰ মনলৈ স্মৰণ হয় ১৮৬৯ চনৰ লিও টলষ্টয়ৰ দ্বাৰা ৰচিত "War and Peace" নামৰ উপন্যাসখনৰ কথা। যিখন পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস হিচাপে আখ্যা দিয়া হয়। তেওঁ উল্লেখ কৰিছিল যে সকলোৱে পৃথিৱীখন সলনি কৰিব খোজে কিন্তু কোনেও নিজক সলনি কৰাৰ কথা নাভাবে।

আমি সকলোৱে আন্তঃদেশীয় সহযোগিতা আৰু শান্তিৰ বাবে দায়বদ্ধ। কেতিয়াবা আভ্যন্তৰীণ সমস্যাত পৰি গণতান্ত্ৰিক প্ৰক্ৰিয়া অচল হৈ পৰে। কিন্তু দুৰ্ভাগ্যৰ কথা যে, বহুল পৃথিৱীখনত অহৰ্নিশে মানুহ ভীতিগ্ৰস্ত লগতে আতংকিত। আকৌ স্বাধীনতাৰ সময়ছোৱা অধ্যয়ন কৰিলে দেখা যায় যে পণ্ডিত জৱাহৰলাল নেহৰু -য়ে বিশ্বশান্তিত বিশ্বাস কৰিছিল। 1954 চনৰ ২৪ এপ্ৰিলত চীনৰ লগত চুক্তি স্বাক্ষৰ কৰোঁতে ভাৰতে দ্বিপাক্ষিক সম্পৰ্ক স্থাপনত ভৌগোলিক সীমা আৰু সাৰ্বভৌমত্বৰ প্ৰতি পাৰস্পৰিক শ্ৰদ্ধা, পাৰস্পৰিক আক্ৰমণৰ পৰা বিৰত থকা, পৰস্পৰৰ আভ্যন্তৰীণ বিষয়ত অহস্তক্ষেপ, সমতা আৰু পাৰস্পৰিক উপকাৰিতা, শান্তিপূৰ্ণ সহ-অৱস্থান নামৰ পঞ্চশীল নীতি মানি চলাত গুৰুত্ব দিছিল। কিছুদিন আগৰ কথা, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা বিবাদ ক্ৰমে শান্তি-শৃংখলাক অৱসানৰ পথলৈ ঠেলিছে। কিন্তু ৰাষ্ট্ৰসংঘৰ নিচিনা আন্তঃৰাষ্ট্ৰীয় সংস্থা থকা সত্ত্বেও আন্তঃদেশীয় সম্পৰ্কৰ অৱসান ঘটিছে। ইতিমধ্যে পূৰ্বতে সংঘটিত হোৱা দুখন বিশ্বযুদ্ধই সমগ্ৰ বিশ্বখনক ধ্বংসাত্মক দিশলৈ ধাবিত কৰি গৈছে, তাতেই পুনৰাই অহা সময়ৰ পশ্চাদলৈ উভতি যোৱাৰ প্ৰশ্নই নাহে।

যদি শেষত, সম্পাদিকাৰ দৰে গধুৰ দায়িত্ব পালন কৰাত 'ৰাজনীতি দৰ্পণখন' প্ৰস্তুত কৰাত শ্ৰদ্ধেয় তত্ত্বাৱধায়ক, বিভাগীয় অধ্যাপক, অধ্যাপিকা, দাদা-বাইদেউ, বন্ধু-বান্ধৱীসকলোকে মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে, বসন্তৰ আগমনে ক্লান্ত মানৱীয় পৰিৱেশক সতেজতা প্ৰদান কৰিব তাৰেই অন্তঃকৰণেৰে কামনা কৰি বিকালী মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ ৰঙালী বিহুৰ ওলগ জনালোঁ।

বিনম্ৰভাৱে

শ্ৰী চন্দ্ৰাক্ষী মেধি

# ৰাষ্ট্ৰসংঘ

ৰাষ্ট্ৰসংঘ হৈছে এক আন্তঃৰাষ্ট্ৰীয় সংগঠন ।১৯৩৯ চনত সংঘটিত হোৱা দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংসলীলাক ৰোধ কৰিবৰ বাবে ৰাষ্ট্ৰসংঘ নামৰ আন্তৰ্জাতিক সংস্থা গঠন কৰা হৈছিল ।ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠা হয় ১৯৪৫ চনৰ ২৪ অক্টোবৰ তাৰিখে ।সেয়ে সমগ্ৰ বিশ্বতে ২৪ অক্টোবৰৰ দিনটোত ৰাষ্ট্ৰসংঘ দিৱস হিচাপে পালন কৰা হয় ।ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয় হৈছে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক মহানগৰত ।ৰাষ্ট্ৰসংঘৰ মুঠ সদস্য ৰাষ্ট্ৰ হৈছে ১৯৩ খন আৰু পৰ্যবেক্ষণ ৰাষ্ট্ৰ হৈছে দুখন ।ৰাষ্ট্ৰসংঘৰ চনদত মুঠ ১১১ টা অনুচ্ছেদ আছে ।নিউয়ৰ্ক মহানগৰৰ বাহিৰেও জেনেভা , নাইৰোবি আৰু ভিয়েনাত ৰাষ্ট্ৰসংঘৰ কাৰ্যালয় আছে ।

ৰাষ্ট্ৰসংঘৰ কাম-কাজ কৰোঁতে ব্যৱহাৰ কৰা ভাষা হ'ল ছয়টা ।যেনে: আৰবী , চীনা , ইংৰাজী , ফৰাচী , ৰুচ আৰু স্পেনিচ ।ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগ ছয়টা ।যেনে:- সাধাৰণ সভা, নিৰাপত্তা পৰিষদ, অৰ্থনৈতিক আৰু সামাজিক পৰিষদ, সচিবালয়, আন্তৰ্জাতিক ন্যায়ালয় আৰু ন্যাসৰক্ষী পৰিষদ ।তদুপৰি ৰাষ্ট্ৰসংঘৰ ন্যায়িক অংগটো হ'ল আন্তৰ্জাতিক ন্যায়ালয় ।লগতে ৰাষ্ট্ৰসংঘৰ কিছুমান প্ৰতিষ্ঠান আছে ।যেনে:- বিশ্ব স্বাস্থ্য সংস্থা (WHO), বিশ্ব খাদ্য কাৰ্যসূচী (WFP) আদি ।

ৰাষ্ট্ৰসংঘৰ মূল উদ্দেশ্য হৈছে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখা , সমান অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ ভিত্তিত দেশসমূহৰ মাজত সম্পৰ্ক প্ৰতিষ্ঠা কৰা । বৰ্তমানৰ ৰাষ্ট্ৰসংঘৰ সচিবসাধাৰণ হৈছে এন্টনিও গুটেৰেছ ।

— শ্ৰী মল্লিকা দেৱী
স্নাতক চতুৰ্থ ষাণ্মাসিক

## জাতিসংঘ

জাতিসংঘ আছিল বিশ্বৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় সংস্থা । জাতিসংঘৰ মূল লক্ষ্য আছিল বিশ্ব শান্তি বজাই ৰখা । প্ৰথম বিশ্বযুদ্ধৰ অৱসানৰ পিছত ১৯১৯ চনৰ আৰম্ভণিতে হোৱা পেৰিছ শান্তি সন্মিলনত এই সংস্থা গঠনৰ চিন্তা-চৰ্চা কৰা হয় । ১৯২০ চনৰ ১০ জানুৱাৰীত জাতিসংঘ প্ৰতিষ্ঠিত হৈছিল । জাতিসংঘৰ কাম-কাজ কৰোঁতে দুটা ব্যৱহাৰিক ভাষা ব্যৱহাৰ কৰিছিল । যেনে:- ইংৰাজী আৰু ফৰাচী । জাতিসংঘৰ প্ৰধান অংগ আছিল তিনিটা ঃ ক্ৰমে - সভা, পৰিষদ আৰু সচিবালয় । ইয়াৰ উপৰি জাতিসংঘৰ আন দুটা গুৰুত্বপূৰ্ণ বিভাগ আছিল আন্তঃৰাষ্ট্ৰীয় ন্যায়ৰ স্থায়ী ন্যায়ালয় আৰু আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা ।

জাতিসংঘৰ মূল উদ্দেশ্য আছিল বিধি আৰু ন্যায়ৰ মাজেদি আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষা কৰা, যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে প্ৰচেষ্টা চলোৱা আৰু আলোপ-আলোচনাৰ মাধ্যমেৰে বিবাদ নিষ্পত্তি কৰা, ৰাষ্ট্ৰসমূহৰ মাজত ন্যায়সংগত সম্পৰ্ক ৰক্ষা কৰা । জাতিসংঘই আন্তঃৰাষ্ট্ৰীয় শান্তি-সম্প্ৰীতিৰ বাবে কাম আৰম্ভ কৰিছিল কিন্তু জাতিসংঘৰ চুক্তিপত্ৰত ভালেমান আসোঁৱাহ থকাৰ হেতু এই জাতিসংঘ ফলৱতী নহ'ল । পিছলৈ ১৯৩৯ চনৰ ১ ছেপ্তেম্বৰ তাৰিখে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হয় আৰু লাহে লাহে জাতিসংঘৰ পতন হয় । ১৯৪৫ চনত ইয়াৰ আদৰ্শৰূপত ৰাষ্ট্ৰসংঘৰ স্থাপন হয় ।

— শ্ৰী কল্পনা বিশ্বাস
স্নাতক চতুৰ্থ ষাণ্মাসিক

## মহৎ লোকৰ বাণী

১) পৰিবৰ্তনশীল জগতত পৰিবৰ্তনেই সত্য ।

— লক্ষ্মীনাথ বেজবৰুৱা

২) কু-সংস্কাৰ হৈছে পৃথিৱীৰ সকলোতকৈ ডাঙৰ ভেজ্যা

— ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

3) এটা বন্দুকৰ গুলিতকৈ এটোপাল চিঁয়াহীৰ মূল্য বেছি ।

— চেইন্ট টেৰেছা

4) সকলোৱে পৃথিৱীখন সলনি কৰিব খোজে কিন্তু কোনেও নিজকে সলনি কৰাৰ কথা নাভাবে ।

— লিও টলষ্টয়

5) সাজ-পোছাকে মানুহক ভদ্ৰ কৰি নোতোলে । সৎ চিন্তা আৰু সৎ শিক্ষাৰ দ্বাৰাহে এজন প্ৰকৃত ভদ্ৰলোক হ'ব পাৰি ।

— মহাত্মা গান্ধী

— শ্ৰী বনমণি ৰায়
স্নাতক চতুৰ্থ ষাণ্মাসিক

# বিশ্ব শান্তিৰ প্ৰয়োজনীয়তা

বৰ্তমান সময়ত বিজ্ঞান প্ৰযুক্তিৰ উন্নতিৰ ফলস্বৰূপে পৃথিৱীখন এখন গোলকীয় গাওঁলৈ ৰূপান্তৰিত হৈছে। বিজ্ঞানৰ ন-ন আৱিষ্কাৰে এফালে মানুহক যেনেকৈ সুখ-স্বাচ্ছন্দ্যৰে ভৰা জীৱন-যাপন কৰিবলৈ সুবিধা প্ৰদান কৰিছে তেনেকৈ ই যুদ্ধ-বিগ্ৰহ, সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আদি কাৰ্য সংঘটিত কৰাৰ ক্ষেত্ৰতো বহু-পৰিমাণে কৰতলীয়া যোগাইছে। ইয়াৰ ফলত দেশৰ উন্নয়নৰ গতি বাধাগ্ৰস্ত হৈ পৰিছে। ফলস্বৰূপে আজি সমগ্ৰ বিশ্বত সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদ মানৱ জাতিৰ বাবে এক প্ৰত্যাহ্বানৰূপে থিয় দিছে। লগতে নিৰ্মূল কৰাৰ বাবে হিংসা, সন্ত্ৰাসবৰ্জিত এখন সুস্থ সবল সমাজৰ প্ৰয়োজন। বিশ্বৰ সমগ্ৰ মানৱ জাতি ঐক্যবদ্ধভাৱে পাৰস্পৰিক সহযোগিতা আৰু নিৰ্ভৰশীলতাৰ জৰিয়তে এনে সমাজ গঢ়াৰ বাবে সংকল্পবদ্ধ হোৱা উচিত। কোনো দেশৰ সাৰ্বভৌমত্ব যাতে ভাবুকিৰ সন্মুখীন নহয় তাৰ প্ৰতিও ৰাষ্ট্ৰৰ মূৰব্বী তথা ৰাষ্ট্ৰনায়কসকল সজাগ হোৱাৰ প্ৰয়োজন। ইয়াৰ বাবে বিশ্ব শান্তিৰ ধাৰণা অতি আৱশ্যকীয়।

— শ্ৰী পাপৰি বৰুৱা
স্নাতক চতুৰ্থ ষাণ্মাসিক

# আন্তঃৰ্জাতিক সংগঠনৰ প্ৰয়োজনীয়তা

বিশ্বত শান্তি প্ৰতিষ্ঠা আৰু ৰাষ্ট্ৰসমূহৰ প্ৰগতিৰ বাবে আন্তৰ্জাতিক সংগঠনৰ প্ৰয়োজন । বিশ্বৰ ৰাষ্ট্ৰসমূহে স্ব-ইচ্ছাই একগোট হৈ সমূহীয়া স্বাৰ্থৰ বাবে গঠন কৰা সংগঠনক আন্তৰ্জাতিক সংগঠন বোলা হয় । ৰাষ্ট্ৰসংঘক সম-সাময়িক বিশ্বৰ ৰাজনৈতিক ব্যৱস্থাত এটা গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক সংগঠন বুলি গণ্য কৰা হয় । বিশ্ববাসীৰ বাবে ৰাষ্ট্ৰসংঘ হ'ল মানৱ জাতিৰ শান্তি আৰু প্ৰগতিৰ এক অপৰিহাৰ্য অনুষ্ঠান ।

ৰাষ্ট্ৰসংঘৰ দ্বিতীয় সচিবপ্ৰধান ডাগ হেমাৰশ্বিল্ডৰ মতে - ৰাষ্ট্ৰসংঘই মানৱ জাতিৰ বাবে স্বৰ্গ তৈয়াৰ কৰিব নোৱাৰে, কিন্তু নৰকৰ পৰা ৰক্ষা কৰিব পাৰে ।

আন্তৰ্জাতিক সংগঠনে যুদ্ধ আৰু শান্তি উভয়তে সহায় কৰিব পাৰে । লগতে ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতাৰ বাতাৱৰণ সৃষ্টি কৰি বিশ্ববাসীৰ জীৱনৰ মানৰ উন্নতি সাধন কৰিব পাৰে । বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত থকা সংঘাত কেৱল যে যুদ্ধৰ জৰিয়তে সমাধান হয়, এনে নহয় । বহুতো বিতৰ্কিত বিষয়সমূহৰ ওপৰত আলোচনাৰ মাধ্যমেৰেও শান্তি-পূৰ্ণভাৱে সমাধানৰ পথ উলিয়াব পাৰি । আন্তৰ্জাতিক সংগঠনবোৰ কৰ্তৃত্ব থকা সৰ্ব-শ্ৰেষ্ঠ নায়ক নহয় যে এই সংগঠনবোৰৰ নিৰ্দেশ ইয়াৰ প্ৰতিজন সদস্য ৰাষ্ট্ৰই মানি চলিব । ইয়াৰ বাবে প্ৰয়োজন হ'লে সংঘাত সৃষ্টি হোৱা ৰাষ্ট্ৰ দুখনৰ মাজত শান্তিপূৰ্ণ উপায়েৰে সংঘাত মীমাংসা কৰাৰ সদিচ্ছা, তেতিয়াহে আন্তৰ্জাতিক সংগঠনে সহায় আগবঢ়াব পাৰিব ।

— শ্ৰী জ্বাতিজনাৰী ৰাভা
স্নাতক চতুৰ্থ ষাণ্মাসিক


ART BY
Sajinabi Rabha